# অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় ❑ বুধবাৰ, ৩০ আগষ্ট, ২০২৩ ❑ ১২ ভাদ, ১৯৪৫ শক

## ডিব্ৰু কলেজত কথাছবি প্ৰদৰ্শন

ষ্টাফ ৰিপৰ্টাৰ, ২৯ আগষ্ট ঃ ডিব্ৰু কলেজৰ ইংৰাজী বিভাগৰ দ্বাৰা জনাথন ছুইফ্টৰ বহুল চৰ্চিত 'গালিভাৰ ট্ৰেভেলছ' নামৰ উপন্যাসৰ আধাৰত ৰব লেটাৰমেনৰ দ্বাৰা পৰিচালিত একে নামৰ কথাছবিখন ২৬ আগষ্টত ডিব্ৰু কলেজৰ ডিজিটেল সভাকক্ষত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে অনুষ্ঠানটো উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কথাছবি প্ৰদৰ্শনৰ যি ব্যৱস্থা সেয়া অত্যন্ত গুৰুত্বপূৰ্ণ কাৰ্য বুলি অভিহিত কৰাৰ লগতে বিশেষকৈ ইংৰাজী সাহিত্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এইধৰণৰ অনুষ্ঠানৰ গুৰুত্ব আৰু বেছিবুলি মত প্ৰকাশ কৰে। অনুষ্ঠানৰ গুৰি ধৰোঁতা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা নন্দিতা বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কথাছবিৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ প্ৰায়োগিক দিশৰ বিষয়ে উল্লেখ কৰি বক্তব্য আগবঢ়ায়। সহকাৰী অধ্যাপিকা ড০ ৰ'জলিন টিৰাজ ফাৰজিনা আখটাৰে কথাছবিখনৰ মূল আধাৰ উপন্যাসখনৰ সম্পৰ্কে এক চমু বিৱৰণ ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে নন্দিতা বৈশ্যই।